# মৌখিক গণিত

- ৯, ৩, ৬ ৰে গঠিত আটাইতকৈ ডাঙৰ সংখ্যাটো কি?
- ৪, ৫, ৮ ৰে গঠিত আটাইতকৈ সৰু সংখ্যাটো কি?
- ৫১৯ আৰু ৫২৯ ৰ মাজত কোনটো সংখ্যা ডাঙৰ?
- ১০ টকাত কিমান পইচা হ'ব?
- ৰীমাই কাগজত ৫ চেণ্টিমিটাৰ ব্যাসাৰ্ধৰ এটা বৃত্ত আঁকিলে। বৃত্তটোৰ ব্যাস কিমান?
- ৮৯৯ ৰ লগত ১০০ যোগ কৰিলে কিমান হ'ব?
- ৰুবুলে ২০০ টকা লৈ বজাৰলৈ গ'ল। তেওঁ ৯০ টকাৰে পাচলি কিনিলে আৰু ৬০ টকাৰে বিস্কুট কিনিলে। ৰুবুলৰ হাতত কিমান টকা বাকী থাকিল?
- ৪ মিটাৰ ৬০ চেণ্টিমিটাৰ এডোখৰ কাপোৰৰ পৰা ৩ মিটাৰ ৫০ চেণ্টিমিটাৰ কাটি উলিয়ালে কিমান কাপোৰ থাকিব?
- জয়শ্ৰীৰ ৫ ডাল মালা আছিল। এডাল মালাত ১০টাকৈ মণি থাকিলে ৫ ডাল মালাত কেইটা মণি থাকিব?
- মীৰাৰ ১০ টা ক'লা আৰু বগা ছাগলী আছে। তাৰে $\frac{১}{২}$ অংশ ছাগলী ক'লা, বগা ছাগলী কেইটা আছে?
- ইমানুৱেলৰ হাতত ২৭টা মাৰ্বল আছিল। সি আৰু তাৰ চাৰিজন বন্ধুৱে মিলি মাৰ্বলকেইটা ভগাই ল'লে গাইপতি কেইটাকৈ মাৰ্বল পাব আৰু কেইটা মাৰ্বল ৰৈ যাব?
- ২ লিটাৰ পানীৰ বটলেৰে ২০ লিটাৰ কলহ এটা ভৰ্তি কৰিবলৈ কেই বটল পানী ঢালিব লাগিব?
- তুমি বজাৰলৈ ৰাতিপুৱা ১০.১৫ বজাত গৈ ১১.১৫ বজাত উভতি আহিলা। তুমি কিমান সময় বজাৰত আছিলা?
- মাৰ্চ মাহত কেইদিন থাকে?

শুদ্ধটোত (✓) চিন দিয়া

- এটা সংখ্যাৰ এককৰ ঘৰৰ অংকটো ৪। দহকৰ ঘৰৰ অংকটো এককৰ ঘৰৰ অংকটোতকৈ ১ বেছি। শতকৰ ঘৰৰ অংকটো দহকৰ ঘৰৰ অংকতকৈ ২ কম। সংখ্যাটো —

  (ক) ২৯৬ (খ) ৩৫৪ (গ) ৩২৪ (ঘ) ৫১৩

- এটা সংখ্যাৰ এককৰ ঘৰৰ অংকটো ৫, দহকৰ ঘৰৰ অংকটো এককৰ ঘৰৰ অংকতকৈ ৩ বেছি। সংখ্যাটো —

  (ক) ৭৫ (খ) ৬৫ (গ) ৮৫ (ঘ) ৫৫

- তিনিটা অংকৰে লিখিব পৰা আটাইতকৈ সৰু সংখ্যাটো ?

  (ক) ৮০০ (খ) ৫০০ (গ) ৯০০ (ঘ) ১০০

- ৩, ২, ০ তলৰ অংককেইটাৰে গঠিত আটাইতকৈ সৰু সংখ্যাটো—

  (ক) ২৩০ (খ) ২০৩ (গ) ৩২০ (ঘ) ২৩

- ৭৮৫ সংখ্যাটোৰ ৮ ৰ স্থানীয় মান আৰু নিজা মানৰ যোগফল

  (ক) ৮০ (খ) ৫৮ (গ) ৮৮ (ঘ) ৮৫

- ১০০০ ৰ পৰা ৯৯৯ বিয়োগ কৰিলে পোৱা সংখ্যাটো

  (ক) ১০ (খ) ১ (গ) ১০০ (ঘ) ৯৯

- দিনৰ ১০ বাজি পোন্ধৰ মিনিট

  (ক) ১০.৪৫ am (খ) ১০.১৫ pm (গ) ১০.১৫ am (ঘ) ১০.৩০ am

- ৰাতি ১২ বাজিবলৈ ১৫ মিনিট বাকী

  (ক) ১১.৪৫ pm (খ) ১১.৪৫ am (গ) ১২.১৫ pm (ঘ) ১২.১৫ am

- আব্রাহম ঘৰৰ পৰা বিদ্যালয়লৈ ৭.৪৫ amত যায় আৰু ৮.২০ amত বিদ্যালয় পায়। ঘৰৰ পৰা বিদ্যালয় পাবলৈ তেওঁৰ কিমান সময় লাগে

  (ক) ১০ মিনিট (খ) ৪৫ মিনিট (গ) ২৫ মিনিট (ঘ) ৩৫ মিনিট

- শনিবাৰে যদি ৯ তাৰিখ হয় তেন্তে তাৰ পিছৰ শনিবাৰত কেই তাৰিখ হ'ব?

  (ক) ১৩  (খ) ১৪  (গ) ১৫  (ঘ) ১৬

- সম্পূর্ণ এটা পাক ঘূৰিবলৈ মিনিটৰ কাঁটাডালক সময় লাগে

  (ক) ১২ ঘণ্টা (খ) ১ ঘণ্টা  (গ) ২৪ ঘণ্টা  (ঘ) ৬ ঘণ্টা

- জেকবে আবেলি ২ ঘণ্টা খেলিলে। যদি তেওঁ ৫ pm ত খেলা শেষ কৰে তেন্তে তেওঁ কেতিয়া খেলিবলৈ আৰম্ভ কৰিছিল?

  (ক) ৪.০০ pm (খ) ৩.০০ pm (গ) ৩.২৫ pm (ঘ) ৪.০০ am

- মিনিটৰ কাঁটাডালে ৬ৰ পৰা ৮ লৈ যাওঁতে কিমান সময় লয়?

  (ক) ৫ মিনিট (খ) ১০ মিনিট (গ) ৩০ মিনিট  (ঘ) ১ মিনিট

- চুঙা এটাৰ কেইটা চুক আছে?

  (ক) ০  (খ) ১  (গ) ২  (ঘ) ৩

- ঘনক এটাৰ ............. কাষ ............. তল আৰু ........... চুক আছে

  (ক) ৮ খন তল ৬ টা চুক আৰু ১২ টা কাষ

  (খ) ৬ খন তল ৮ টা চুক আৰু ১২ টা কাষ

  (গ) ১২ খন তল ৬ টা চুক আৰু ৪ টা কাষ

  (ঘ) ৬ খন তল ১২ টা চুক আৰু ৪ টা কাষ

- মান নির্ণয় কৰা

  (ক) ৩৫ × ১০ = ?  (খ) ৪২ ÷ ১ = ?

  (গ) ০ ÷ ২০ = ?  (ঘ) ৩৩০ - ২১৫ ?

- এটা কলমৰ দাম ১২ টকা হ'লে ৩ টা কলমৰ দাম কিমান ?

- চাৰি দহকক চাৰিৰে হৰণ কৰিলে ভাগফল কিমান হ'ব?

- ৫৬ ক ৭ৰে হৰণ কৰিলে ভাগফল কিমান হ'ব আৰু ভাগশেষ কিমান হ'ব।

- তলৰ কোনবোৰ সংখ্যা যুগ্ম নহয়?

  ১১২, ২২৮, ১৫৭, ৫৭০

- কাষৰ আকৃতিটোৰ নাম কি?



- তলত দিয়া সংখ্যাবোৰৰ অযুগ্ম সংখ্যাবোৰত (✓) দিয়া

  ১৪২, ১৩৩, ১২১, ১৪২, ৯৭

- ৫ টকাত ৫০ পইচাৰ কেইটা মুদ্ৰা থাকিব?
- ১ ঘণ্টাত কেইমিনিট থাকে?
- ৫ মিটাৰত কিমান চেণ্টিমিটাৰ থাকে?
- হেনৰীয়ে বজাৰৰ পৰা ৮০০ গ্ৰাম আলু কিনিলে। আৰু কিমান গ্ৰাম আলু কিনিলে ১ কিলোগ্ৰাম হ'ব।
- $\frac{১}{২}$ ৰ সমতুল্য ভগ্নাংশ লিখা
- এটা কলৰ দাম ৫ টকা হ'লে ২ ডজন কলৰ দাম কিমান?
- ২ মিটাৰ বাহুৰ জোখৰ বৰ্গাকৃতিৰ টেবুল এখনৰ পৰিসীমা কিমান?
- ছবিবোৰৰ ৰং দিয়া অংশবোৰৰ ভগ্নাংশত লিখা-



- তলৰ সময়বোৰ ২৪ ঘণ্টীয়া ঘড়ীৰ সময় মতে লিখা



am pm am pm